# আজাদী কা অমৃত মহোৎসৱ উদযাপনৰ অংশ হিচাপে কয়দীৰ কাৰাবাসৰ ম্যাদ ৰেহাই

**দিছপুৰ ৩ আগষ্ট ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে উদযাপন কৰা আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি অসম চৰকাৰে অহা ১৫ আগষ্টত প্ৰথম পৰ্যায়ত ১৮ গৰাকী বিভিন্ন দোষত দোষী সাব্যস্ত কয়দীক নিৰ্দ্ধাৰিত নীতিৰ আধাৰত মুকলি কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

এই অনুসৰি মুঠ কাৰাবাসৰ সময়সীমাৰ ৫০ শতাংশ কাল সম্পূৰ্ণ কৰা ৫০ বছৰ আৰু ততোধিক বয়সৰ মহিলা কয়দী আৰু তৃতীয় লিংগৰ ব্যক্তি, মুঠ কাৰাবাসৰ ৫০ শতাংশ কাল সম্পূৰ্ণ কৰা ৬০ বছৰ আৰু ততোধিক বয়সৰ পুৰুষ কয়দী, ৭০ শতাংশ বা ততোধিক শাৰিৰীক অক্ষমতা থকা দিব্যাংগ ব্যক্তি যিয়ে মুঠ কাৰাবাসৰ সময়সীমাৰ ৫০ শতাংশ কাল সম্পূৰ্ণ কৰিছে, মৃত্যুমুখী অসুস্থতাত ভোগা বুলি মেডিকেল বোৰ্ডে প্ৰমাণপত্ৰ প্ৰদান কৰা ৰোগী কাৰাবন্দী, দুই তৃতীয়াংশ অৰ্থাৎ ৬৬ শতাংশ কাৰাবন্দীত্ব সম্পূৰ্ণ কৰা অন্যান্য কাৰাবন্দী, কাৰাবাসৰ কাল সম্পূৰ্ণ কৰিও আৰোপিত জৰিমনা আদায় দিবলৈ সক্ষম নোহোৱা বাবে কাৰাবাসত থকা দুখীয়া বা অসহায় কয়দী, ১৮ ৰ পৰা ২১ বছৰৰ ভিতৰত কোনো অপৰাধত দণ্ডিত হৈ কাৰাবৰণ কৰি কাৰাবাসত ৫০ শতাংশ সময় অতিক্ৰম কৰা আৰু আন কোনো অপৰাধ নথকা কয়দীসকলক এই পদক্ষেপৰ অধীনত অহা ১৫ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ মুকলি কৰি দিয়া হ'ব।

উল্লেখযোগ্য যে এই ক্ষেত্ৰত কাৰাবৰণৰ সময় হিচাপ কৰোতে সাধাৰণভাৱে আৰ্জিত ৰেহাইৰ কাৰাবাস কাল ধৰা নহ'ব। তদুপৰি এই ৰেহাই কিছুমান বিশেষ গোচৰত দোষী সাব্যস্ত কয়দীৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। যেনে—মৃত্যুদণ্ডৰে দণ্ডিত বা পিছলৈ এই দণ্ড আজীৱন কাৰাবাসলৈ পৰিৱৰ্তন কৰা কয়দী, কোনো অপৰাধত দোষী সাব্যস্ত হোৱা কয়দী যাৰ বাবে অন্যান্য শাস্তিৰ লগতে মৃত্যুকো এটা শাস্তি বুলি ঘোষণা কৰা হৈছে, আজীৱন কাৰাদণ্ডৰে দণ্ডিত কয়দী, সন্ত্ৰাসবাদী কাৰ্য-কলাপৰ বাবে দোষী সাব্যস্ত ব্যক্তি বা Terrorist and Disruptive Activities (Prevention) Act, 1985 (TADA), The Prevention of Terrorism Act, 2002 (POTA), Unlawful Activities (Prevention) Act 1967 (UAPA), The Explosive Subtances Act 1908, The National Security Act, 1982 (NSA) Official Secrets Act, 1923 আৰু Anti-Hijacking Act, 2016ৰ অধীনত দোষী সাব্যস্ত হোৱা অপৰাধী এই ৰেহাইৰ আওতাত নপৰে। তদুপৰি যৌতুকজনিত মৃত্যুৰ বাবে দোষী সাব্যস্ত হোৱা কয়দী, ভাৰতীয় দণ্ড বিধি আইনৰ ধাৰা ৪৮৯ (A-E)ৰ অধীনত নকল নোট প্ৰচলনৰ অপৰাধত দোষী সাব্যস্ত হোৱা কয়দী, Protection of Children from Sexual Offences Act, 2012 (POSCO) আৰু Immoral Traffic (Prevention) Act, 1956ৰ অধীনত যৌন নিৰ্যাতন আৰু মানৱ সৰবৰাহৰ দোষত দোষী সাব্যস্ত হোৱা কয়দী, Prevention of Money Laundering Act, 2002, Foreign Exchange Management Act, 1999 (FEMA), Black Money (Undisclosed Foreign Income and Assets) and Imposition of Tex Act, 2015ৰ অধীনত দোষী সাব্যস্ত কয়দী, Narcotic Drugs and Psychotropic Substances Act, 1985 (NDPS) ৰ অধীনত দোষী সাব্যস্ত কয়দী, Weapons of Mass Destruction and their Delivery Systems (Prohibition of Unlawful Activities) Act, 2005 আৰু Prevention of Corruption Act, 1988ৰ অধীনত কাৰাৰুদ্ধ কয়দী, ভাৰতীয় দণ্ড বিধি আইনৰ ষষ্ঠ অধ্যায়ৰ অধীনত ৰাষ্ট্ৰ বিৰোধী দোষত দোষী সাব্যস্ত কয়দী আদিৰ ক্ষেত্ৰত এই ৰেহাই প্ৰযোজ্য নহ'ব।

অহা ১৫ আগষ্টত ৰেহাই লাভ কৰিবলগীয়া কয়দীসকলৰ ভিতৰত ৫ গৰাকী ৬০ বছৰৰ উৰ্দ্ধৰ পুৰুষ কয়দী, ১২ গৰাকী ৬৬ শতাংশ কাৰাবন্দীত্ব সম্পূৰ্ণ কৰা কাৰাবন্দী আৰু এগৰাকী ১৮ ৰ পৰা ২১ বছৰৰ ভিতৰত কৰা অপৰাধত দণ্ডিত হৈ ৫০ শতাংশ কাৰাবৰণৰ সময় অতিক্ৰম কৰা কয়দী আছে।

*এমআৰডি/পিকেডি/০৩-০৮-২০২২*